بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ   نَحۡمَدُهٗ وَنُصَلِّيۡ عَلٰى رَسُوۡلِهِ الۡكَرِيۡمِ   وَعَلٰى عَبۡدِهِ الۡمَسِيۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৯ চনৰ ২১ জুনত মছজিদ মোবাৰক ইছলামবাদ টলফোৰ্ড(বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ,তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে যোৱা জুমাৰ খোতবাত মই কৈছিলো যে হজৰত জায়েদ বিন হাৰছা (ৰাঃ)ৰ বিষয়ে আৰু কিছুমান কথা আলোচনা কৰিবলৈ আছে। সেইবোৰ কথা আজি উল্লেখ কৰা হব। হজৰত জয়নব বিনতে হুজশ (ৰাঃ)ৰ বিবাহৰ সময়ত তাইৰ বয়স আছিল ৩৫বছৰ। আৰবৰ পৰিৱেশ পৰিস্থিতি অনুযায়ী বিয়াৰ এই বসয়টো বেছি বয়স হোৱা বুলি কোৱা উচিত। হজৰত জয়নব (ৰাঃ) এজনী মুত্তাকী আৰু পৰহেজগাৰ আৰু দানশীলা মহিলা আছিল। হজৰত আয়শা (ৰাঃ) হজৰত জয়নব (ৰাঃ)ৰ তাকওয়া আৰু পবিত্ৰতা সম্পৰ্কে বৰ প্ৰশংসা কৰিছিল আৰু কৈছিল যে মই জয়নবতকৈ বেছি নেক (সজ) মহিলা দেখা নাই। তাই বৰ মুত্তাকী, বৰ সজ, বৰ দয়ালু, সহানুভূতিশীলা, দানশীলা, আৰু নেকি আৰু ইলাহি সান্নিধ্যৰ আমলত বৰ সচেতন আৰু আগ্ৰহী আছিল। দান খয়ৰাতৰ ক্ষেত্ৰত তাইৰ স্থান এনেকুৱা আছিল যে হজৰত আয়শা (ৰাঃ) বৰ্ণনা  কৰিছে যে এবাৰ আঁহজৰত (ছাঃ)য়ে আমাক কৈছিল যে- (আছৰিকুন্না লিহাকাবি আতওয়ালিকুন্না ইয়াদাহু) অৰ্থ্যাৎ তোমালোকৰ মাজত যিজনীয়ে আটাইতকৈ বেছি হাত দীঘল তাই মোৰ মৃত্যুৰ পিছত সকলোৰে আগত মৃত্যু হৈ মোৰ ওচৰত গৈ উপস্থিত হব। হজৰত আয়শা (ৰাঃ) য়ে কৈছে যে মই উক্ত কথাৰ অৰ্থ বাহ্যিক হাত বুলি ভাবি লৈ আমাৰ মাজত পৰস্পৰে হাতৰ জুখ-মাপ কৰিছিলো। কিন্তু যেতিয়া আঁহজৰত (ছাঃ) ৰ মৃত্যুৰ পিছত সকলোৰে আগত হজৰত জয়নব (ৰাঃ) ৰ মৃত্যু হৈছিল, তেতিয়াহে মই এই কথাৰ ৰহস্য বুজিছিলো যে হাত মানে হল দান, খয়ৰাতৰ হাত বাহ্যিক হাত নহয়।

হজৰত মিৰ্জা বশিৰ আহমদ চাহাবে লিখিছে যে হজৰত জয়নব (ৰাঃ)ৰ বিয়াৰ বিষয়ে মদিনাৰ মোনাফিক সকলে বৰ সমালোচনা কৰিছিল আৰু মুকুলি ভাৱে বিদ্ৰুপ কৰিছিল যে মহম্মদ (ছাঃ) য়ে নিজৰ পুতেকে তালাক দিয়া মহিলাক অৰ্থ্যাৎ নিজৰ বোৱাৰীক নিজৰ নিমিত্তে হালাল কৰি লৈছে। কিন্তু যিহেতু এই বিবাহৰ উদ্দেশ্য আছিল আৰবৰ অজ্ঞ ৰীতি-নীতিৰ অন্ত পেলোৱা গতিকে এই কাৰ্য সম্পৰ্কে গৰিহনা শুনাৰও প্ৰয়োজন আছিল।

হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে ইয়াতে এই কথাখিনি উল্লেখ কৰাৰও প্ৰয়োজন আছে যে ইবনে ছাআদ আৰু তবৰি সকলে হজৰত জয়নব বিনতে হুজশৰ বিবাহ সম্পৰ্কে এটা স্পষ্ট ভূল আৰু ভিত্তিহীন ৰোৱায়েতৰ উল্লেখ কৰিছে। সেয়ে এই কাহিনী মিছা বুলি চিন্তাবিদ দাৰ্শনিক সকলে মন গঢ়া এটা কাহিনী বুলি নিশ্চিত কৰিছে।

হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে এই মিছা কাহিনী সম্পৰ্কে এই কথাখিনি মনত ৰখা উচিত -হজৰত মিৰ্জা বশিৰ আহমদ চাহাবে ছিৰাত খাতামান্নাবীঈনত লিখিছে যে এই যুগটো ইছলামী ইতিহাসত সেই যুগ আছিল,যেতিয়া মোনাফিক সকলে মদিনাত পূৰ্ণ প্ৰতাগী আছিল। সেই সময়ত আব্দুল্লাহ বিন আবি বিন ছলোলৰ নেতৃত্বত তেওঁলোকে সদায় ইছলামৰ বিৰুদ্ধে ষড়যন্ত্ৰ চলাইছিল আৰু বনী ইছলামক বদনাম দিয়াৰ চেষ্টা কৰিছিল। তেওঁলোকে মিছা আৰু মন গঢ়া কাহিনী ৰচনা কৰি গোপনে গোপনে সেয়া প্ৰচাৰ কৰি ফুৰিছিল। সেই যুগৰ ওচৰা ওচৰি সময়তেই হজৰত আয়শা (ৰাঃ) ৰ বিৰুদ্ধে মিছা অপযশ ৰটনা কৰাৰ এক বিপদজনক ঘটনা সংগঠিত হৈছিল। আৰু আব্দুল্লাহ বিন আবি বিন ছলোল আৰু তাৰ সংগী বৃন্দই এই ঘটনাৰ এনেকুৱা চৰ্চা কৰিছিল আৰু এনেকুৱা সজাই পৰাই প্ৰচাৰ কৰিছিল যে মুচলমান সকলে অশান্তিত অসহায় যে হৈ পৰিছিল। আৰু কিছুমান দুৰ্বল মানসিকতাৰ মুছলমান সকলে তেওঁলোকৰ এই কুৎচিত প্ৰপেগাণ্ডাৰ চিকাৰ হৈ পৰিছিল। যিয়েই নহওক  এই সময়খিনি মুনাফিক সকলৰ বিশেষ প্ৰতাপৰ সময় আছিল। আৰু এওঁলোকৰ আটাইতকৈ বেছি পছন্দনীয় আক্ৰমণৰ উপায় আছিল। এয়া যে মিছা আৰু কুৎসা ৰটনা কৰি আঁহজৰত (ছাঃ) ক কেনেকৈ বদনাম কৰিব পৰা যায়। এইবিলাক মিছা বাতৰি এওঁলোকৰ এনেকুৱা সাৰধানেৰে আৰু বিচক্ষণতাৰে প্ৰচাৰ কৰিছিল যে মাজে সময়ে আঁহজৰত (ছাঃ) আৰু তেখেত (ছাঃ) ৰ চাহাবা সকলেও বিতং তথ্যৰ গম লৰ নোৱাৰাৰ কাৰণে সেয়া বাতিল কৰিবৰ সুবিধা পোৱা নাছিল

আৰু ভিতৰি ভিতৰি তাৰ বিষ বিয়পি পৰিছিল।

ছাৰ উইলিয়াম মেৰৰে হজৰত জয়নব বিনতে হুজশ (ৰাঃ) এই কাহিনী মন প্ৰাণেৰে চৰ্চিত ৰূপেৰে দুখ লগাৰ ভাৱে বৰ্ণনা কৰিছে যে আঁহজৰত (ছাঃ) ৰ বয়স বাঢ়ি অহাৰ লগে লগে তেখেত (ছাঃ) ৰ প্ৰবৃত্তিক ইচ্ছাও প্ৰবল হৈ যাবলৈ লৈছিল (নাউযুবিল্লাহ)। হজৰত মিৰ্জা বশিৰ আহমদ চাহাবে লিখিছে যে নিশ্চয় এয়া এক ঐতিহাসিক বাস্তৱ কথা যে আঁহজৰত (ছাঃ) কেইবাটাও বিয়া কৰাইছিল। আৰু এই কথাও ইতিহাস প্ৰসিদ্ধ আৰু ইছলামীক ইতিহাসৰ অংশ যে একমাত্ৰ খাদিজা (ৰাঃ) ৰ বাহিৰে তেখেত (ছাঃ) য়ে বাকী সকলো বিয়া তেখেত (ছাঃ)ৰ সেই সময়ৰ লগত সম্পৰ্কিত যাক বুঢ়া বয়স বুলি কব পৰা যায়। সেয়ে এয়া ধাৰণা কৰাটো যে তেখেত (ছাঃ) য়ে এইবোৰ বিবাহ (নাউযুবিল্লাহ) তেখেতৰ দৈহিক চাহিদাপূৰ্ণ কৰিবলৈ কৰিছিল মুৰ্খৰ মৰ্যদাতকৈও বহু আঁতৰত। আনহাতে এজন সজ প্ৰকৃতিৰ মানুহৰ মৰ্যদাৰ পৰাও আঁতৰত। মেৰৰ চাহাব এই বিষয়ে অজ্ঞ নহয় যে আঁহজৰত (ছাঃ) য়ে পঁচপন্ন বছৰ বয়সত এজনী চল্লিছ বছৰীয়া আদহীয়া বিধৱাক বিয়া কৰাইছিল আৰু তেখেত (ছাঃ)য়ে পঞ্চাচ বছৰ এই সম্পৰ্ক পৰিপূৰ্ণ আনুগত্যৰ সৈতে অটুট ৰাখিছিল, যাৰ দৃষ্টান্ত আজিও পোৱা নাই। মেৰৰ চাহাব এই ঐতিহাসিক ঘটনাটো কেতিয়াও নজনা নাছিল যে যেতিয়া মক্কাৰ লোক সকলে তেখেত (ছাঃ) ৰ তবলিগ কাৰু কাৰ্য্যত বিৰক্ত হৈ উতবা বিন ৰবিয়াক এজন প্ৰতিনিধি হিচাপে আঁহজৰত (ছাঃ)ৰ ওচৰত পঠাইছিল আৰু অনুনয় বিনয়েৰে আবেদন কৰিছিল যে তেখেত (ছাঃ) য়ে ইছলামৰ তবলিগ কৰা বন্ধ কৰিব লাগে। লগতে ধন-দৌলত, সাম্ৰাজ্যৰ লোভ দেখুৱাৰ উপৰিও এয়া জনাইছিল যে যদি তেখেত (ছাঃ) য়ে কোনো সুন্দৰ ছোৱালী এজনীক বিয়া কৰাই আমাৰ লগত ভালে ভালে থাকে আৰু আমাৰ দ্বীন সম্পৰ্কে ভাল বেয়া একো নকয় আৰু নতুন দ্বীন সম্পৰ্কে কোনো তবলীগ নকৰে তেন্তে তেখেত (ছাঃ) য়ে যিজনী ছোৱালীক পছন্দ কৰিব, আমি তাইক তেখেত (ছাঃ) ৰ লগত বিয়া পাতি দিম। সেই সময়ত আঁহজৰত (ছাঃ) ৰ বয়স বেছি হোৱা নাছিল, শাৰীৰিক বলবীৰ্যও পিছবেলাৰ জীৱনতকৈও যথেষ্ট ভাল আছিল। কিন্তু এইবোৰ কথাৰ উত্তৰ যেনেকৈ আঁহজৰত (ছাঃ) য়ে মক্কাৰ সেই প্ৰতিনিধিজনক দিছল, সেয়াও আজিলৈকে ইতিহাসৰ পাতত জিলিকি আছে। আনহাতে এয়াও মেৰৰ চাহাবৰ অবিদিত নহয় যে মক্কাৰ লোক সকলে তেখেত (ছাঃ) ৰ নবুয়তৰ পূৰ্বৰ চল্লিছটা বছৰ জুৰি তেখেত (ছাঃ)ক এজন উত্তম চৰিত্ৰৰ আৰু সত্যবাদী লোক বুলি মানিছিল। তথাপি এইবোৰ সাক্ষী থকা সত্বেও মেৰৰ চাহাবে লিখিছে যে পঁচপন্ন বচৰ বয়সৰ পিছত আঁহজৰত (ছাঃ) ৰ শাৰীৰিক বলবীৰ্যত চৰিত্ৰহীনতায় দেখা দিছিল আনফালে তেখেত (ছাঃ)ৰ ব্যাস্ততা আৰু দায়িত্ব ইমানেই বাঢ়ি গৈছিল যে সুখ-সম্ভোগত লিপ্ত হৈ পৰিছিল। এয়া নিশ্চয় কোনো সাম্প্ৰদায়িকতাহীন মন্তব্য নহয়। নিশ্চয় এয়া সাম্প্ৰদায়িকতাৰে ভৰপুৰ এক মন্তব্য। বিশেষকৈ যিহেতু এয়া এটা ইতিহাস সাব্যস্ত সত্য যে তেখেত (ছাঃ) য়ে নিজৰ ডেকা কাল এনে অৱস্থাত কটাইছিল যে যাৰ ফলত তেখেত (ছাঃ)ক আপোন-পৰ সকলোৱে আমিন উপাধিৰে বিভুষিত কৰিছিল।

হজৰত খলিফাতুল মছিহ ছানি (দ্বিতীয়) (ৰাঃ) য়ে কৈছে যে আঁহজৰত (ছাঃ) য়ে নিজৰ পেহীৰ ছোৱালীক হজৰত জায়েদ বিন হাৰছাৰ ওচৰত বিয়া দিছিল। কিন্তু সেই বিবাহ অটুট নাথাকিল। এখেত (ছাঃ) য়ে লিখিছে যে -আচল কথা হল আল্লাহ তায়ালা এই বিষয়টো লোকৰ মাজত প্ৰকাশ কৰিব বিচাৰিছিল যে ৰছুলে কৰিম (ছাঃ)ৰ কোনো ঔৰসজাত পুত্ৰ সন্তান জীয়াই থকা নাই। কিন্তু সেই দেশৰ ৰীতি অনুযায়ী তেখেত (ছাঃ)ৰ পুত্ৰ সন্তান আছে, যেনেকৈ জায়েদ আছিল। আৰবৰ লোকে জায়েদক ইবনে মহম্মদ বুলি কৈছিল। হজৰত জয়নব (ৰাঃ)ৰ বিবাহৰ ঘটনাৰ পৰা খোদা তায়ালা এয়াজনাই দিলে যে সন্তান সেইজনহে হয়, যিজনে কুদৰতি নিয়মৰ অধীনত ঔৰসত জন্ম লয়। দেশৰ ৰীতি নিয়মেৰে বনাই লোৱা সন্তান প্ৰকৃত সন্তান নহয়। এই কথাখিনি প্ৰতিষ্ঠা কৰাৰ নিমিত্তে একমাত্ৰ পদ্ধতি এয়াই আছিল যে হজৰত জায়েদ (ৰাঃ)ৰ দ্বাৰা তালাক প্ৰাপ্তৰ সৈতে আঁহজৰত (ছাঃ) য়ে বিবাহ পাতি লোৱা। আল্লাহ তায়ালা হজৰত জায়েদ আৰু তেখেতৰ পত্নী জনবৰ মাজত হোৱা মনোমালিন্য দূৰ হবলৈ দিয়া নাছিল। ইলাহি প্ৰজ্ঞা এয়া আছিল যে হজৰত জায়েদ (ৰাঃ) য়ে যেন নিজৰ পত্নীক তালাক দিয়ে আৰু তাই যেন ৰছুলে কৰিম (ছাঃ)ৰ বিবাহ পাশত আৱদ্ধ হয় যাতে এয়া প্ৰমানিত হয় যে দেশীয় ৰীতি-নিয়মৰ বনোৱা পুত্ৰ কুদৰতি আইনৰ ঔৰসজাত পুত্ৰ কন্যাৰ দৰে নহয়। হজৰত জায়েদ বিন হাৰছা (ৰাঃ) য়ে বদৰৰ যুদ্ধ, অহুদৰ যুদ্ধ,খন্দকৰ যুদ্ধ, হুদায়বিয়া আৰু খয়বৰৰ যুদ্ধত আঁহজৰত (ছাঃ)ৰ লগত যোগ দি ৰণত নামিছিল। এখেত (ৰাঃ) ৰছুলুল্লাহ (ছাঃ) পাকৈত তীৰ আন্দাজী সকলৰ ভিতৰত এজন বুলি গণ্য কৰা হৈছিল। যেতিয়া আঁহজৰত (ছাঃ)য়ে মৰিছিৰ (বণ মুস্তালিকৰ সৈতে)

যুদ্ধলৈ যাত্ৰা কৰিছিল তেতিয়া হজৰত জায়েদ (ৰাঃ) ক মদিনাৰ আমিৰ নিযুক্ত কৰিছিল। হজৰত মিৰ্যা বশিৰ আহমদ (ৰাঃ)য়ে ছিৰাত খাতামান্নাবীঈন পুস্তকত লিখিছে যে আশিৰাহৰ যুদ্ধৰ পিছত আঁহজৰত (ছাঃ) যে মদিনালৈ ওভতি অহাৰ দহটা দিন পাৰ নহওঁতেই মক্কাৰ এজন নেতা কৰাজুবিন জাবিৰ ফিহিৰিহে কুৰাইছৰ এটা দললগত লৈ অতি সাৰধানেৰে চৰণভুমিত যি মদিনা চহৰখনৰ পৰা তিনি মাইল আঁতৰত অৱস্থিত হঠাত আক্ৰমণ চলাই মুছলমান সকলৰ উট লুট কৰি উদাৰ হোৱাৰ লগে লগেই আঁহজৰত (ছাঃ)য়ে খৱৰ পাই অতি সোনকালে হজৰত জায়েদ বিন হাৰছাক নিজৰ পিছত আমিৰ নিযুক্ত কৰি মুহাজেৰিণ সকলৰ এটা জামাত লগতলৈ কুৰাইছৰ দলৰ পিছ লয়, কিন্তু ছফুৰান নামৰ ঠাইলৈকে যোৱাৰ পিছত কুৰাইছৰ দলটো পৰাজয় হয়। হুজুৰ আনোৱাৰ (আইঃ) য়ে বদৰৰ পৰা ওভতি অহাৰ সময়ত আঁহজৰত (ছাঃ) য়ে হজৰত জায়েদ বিন হাৰছাক আগতে মদিনালৈ পঠাই দিছিল। যাতে তেখেতে আগতে মদিনাত গৈ বিজয় সংবাদ শুনাব পাৰে। গতিকে তেখেত (ৰাঃ) য়ে আঁহজৰত (ছাঃ)ৰ আগতে আহি মদিনাত উপস্থিত হৈ মদিনাবাসীক বিজয় সংবাদ প্ৰদান কৰিছিল। যাৰ ফলত মদিনাৰ চাহাবা সকলে যদিওঁ এফালে ইছলামৰ গুৰুত্বপূৰ্ণ বিজয় সম্পৰ্কে আনন্দিত হৈছিল আনফালে এই গুৰুত্বপূৰ্ণ জিহাদত অংশগ্ৰহন কৰাৰ পৰা বঞ্চিত হোৱাত আফছোচও কৰিছিল। উক্ত বিজয় সংবাদ আনন্দই সেই শোক পৰিতপ পাহৰাই পেলাইছিল, যি শোক হজৰত জায়েদ (ৰাঃ) য়ে মদিনা আহি পোৱাৰ আগমুহুৰ্ত্তলৈকে মদিনাৰ মুছলমান সকলৰ মাজত বিৰাজ কৰিছিল। বিশেষকৈ হজৰত উচমান (ৰাঃ) বেছি শোকাবিভুত হৈছিল কাৰণ ৰুকিয়া বিনতে ৰছুলে কৰিম (ছাঃ)ৰ মৃত্যু হৈছিল। আঁহজৰত (ছাঃ)য়ে তাইক বেমাৰী অৱস্থাত এৰি বদৰৰ যুদ্ধলৈ যাত্ৰা কৰিছিল। ৰুকিয়া বিনতে আঁহজৰত (ছাঃ)ৰ কাৰণেই হজৰত উচমান গণি (ৰাঃ) য়ে বদৰৰ যুদ্ধত অংশগ্ৰহন কৰিব পৰা নাছিল।

হজৰত জায়েদ বিন হাৰছা (ৰাঃ)ৰ লগত এটা তীৰ আন্দাজী দল জমাদিউল আখিৰ চন ৩ হিজৰিত কুৰদাহ নামৰ ঠাইলৈ পঠোৱা হৈছিল। এই সম্পৰ্কে মিৰ্যা বশিৰ আহমদ চাহাবে লিখিছে যে বণু ছালিম আৰু বণু গোতফানৰ আক্ৰমণ প্ৰতিহত কৰি সামান্য বিৰতি সময় পোৱাৰ সময় ছোৱাতেই আৰু এটা বিপদৰ পৰা হাত সাৰিবলৈ ঘৰৰ পৰা ওলাব লগা হৈছিল। জমাদিউচ্ছানিৰ শেষ ভাগত আঁহজৰত (ছাঃ) য়ে গোপনে খৱৰ পাইছিল পাইছিল যে মমক্কাৰ কুৰাইছ সকলৰ এটা বেহা বেপাৰৰ দল নজদিৰ বাটেদি যাব। সেই বাটতেই কুৰাইছ সকোলৰ মিত্ৰ লোক সকলে বসবাস কৰিছিল। যি সকলে কুৰাইছ সকলৰ দৰেই মুছলমান সকলৰ শত্ৰুতা পোষন কৰিছিল। উক্ত লোক সকলৰ লগত মিলি কুৰাইছ সকলে অতি সহজেই মদিনাৰ ওপৰত গোপনে আক্ৰমণ চলোৱাৰ সুবিধা আছিল। কুৰাইছ সকলক দূৰ্বল কৰিবলৈ আৰু তেওঁেঁলোকক সন্ধি কৰাৰ বাবে বাধ্য কৰিছিল উক্ত বাটত তেওঁলোকৰ যিকোনো দলক বাধা প্ৰদানৰ প্ৰয়োজন আছিল। এয়া চিন্তা কৰি আঁহজৰত (ছাঃ) য়ে উক্ত দলটো অহা সম্পৰ্কে খবৰ পাই নিজৰ মুক্তি দিয়া দাস গায়েদ বিন হাৰছাক নেতৃত্ব দি চাহাবা সকলৰ এটা দল তালৈ পঠাই দিছিল।

কুৰাইছ সকলৰ এই ব্যাৱসায়ী দলটোৰ লগত আবু ছুফিয়ান বিন হাৰব আৰু ছফুৰান বিন উমিয়াৰ দৰে নেতাও উপস্থিত আছিল। হজৰত জায়েদ (ৰাঃ)য়ে বৰ সাৰধান আৰু বিচক্ষণতাৰে নিজৰ দায়িত্ব পালন কৰিছিল আৰু নজদিৰ কুৰদাহ নামৰ ঠাইত গৈ ইছলামৰ শত্ৰু সকলক আগভেটা দিছিল। উক্ত হঠাৎ আক্ৰমণত কুৰাইছৰ দলটোৱে ভয় খাই লগত থকা সকলো ধন-মাল এৰি পলায়ন কৰিছিল। হজৰত জায়েদ বিন হাৰছা (ৰাঃ) আৰু লগৰ মুছলমান সকলে এই সুযোগত অসংখ্য ধন-মাল মালে গণিমত হিচাপে লাভ কৰি কৃতকাৰ্য্যতাৰে মদিনালৈ ওভতি আহিছিল।

হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে এতিয়া মই এটা বৰ দুঃখ জনক শোকাকুল খবৰ সম্পৰ্কে উল্লেখ কৰিম। আজিজা মৰিয়ম ছলমান গুল বিনতে মোবাৰক আহমদ ছিদ্দিকি চাহাবৰ ১৭জুন ২০১৪ চনত ২৫বছৰ বয়সত মৃত্যু হৈছে। (ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন) কিছুদিন আগত তাইৰ বেমাৰ গম পোৱা গৈছিল। চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল কিন্তু আল্লাহ তায়ালাৰ ইচ্ছা প্ৰকট হল আৰু তাই আৰোগ্য লাভ কৰিব নোৱাৰিলে। আজিজাৰ লগত সাক্ষাৎ কৰোতা সকলে কৈছে যে তাই বৰ লোকপ্ৰিয় আৰু আনন্দময়ী ছোৱালী আছিল। নমাজৰ প্ৰতি বৰ আগ্ৰহী, সহানুভুতিশীলা, আৰু খিদমত গোজাৰী ছোৱালী আছিল। তাই খিলাফতৰ সৈতে বৰ ভালপোৱাৰ সম্পৰ্ক ৰাখিছিল। মৰহুমা মৰিয়ম চাহিবায় নিজৰ মাক দেউতা আৰু স্বামীৰ উপৰিও নিজৰ স্মৃতিত দুজনী জীয়েক (নায়াব আৰু জুৰিয়াব) এৰি থৈ গৈছে। বৰ্তমান ডাঙৰ ছোৱালীজনী নায়বৰ বয়স ৫ বছৰ আৰু জুবিয়াবৰ বয়স মাত্ৰ ডেৰ বছৰ। মৰিয়ম ছলমান চাহিবাৰ মাক গুল মোবাৰক চাহিবায় কয় যোৱা

ছয় সপ্তাহত তিনিটাকৈ শোক পাব লগা হৈছে। গুল মোবাৰক চাহিবাৰ এজন ভায়েকৰ মৃত্যু হৈছে আৰু এজনী ভনীয়েকৰ মৃত্যুৰ পিছে পিছেই তাইৰ জীয়েকৰও মৃত্যু হৈ গল। আল্লাহ তায়লা তাইৰ ধৈৰ্য্য আৰু মনোবল বৃদ্ধি কৰক । মৰহুমা মৰিয়ম ছলমান চাহিবা আহমদীয়া মুছলিম জামাতৰ ছেক্ৰেটাৰী নমোবাইয়াত আছিল। তাই বৰ আনন্দময়ী চৰিত্ৰৰ, হাহিঁমুখ আৰু অভাৱী সকলক সহায় কৰোঁতা ছোৱালী আছিল। তাইৰ জামাতৰ সদৰ লাজনা চাহিবায় কয় যে আজিজা মৰিয়ম ছলমান ছেক্ৰেটাৰী নওমোবাইয়াত হিচাপে বৰ ভাল আৰু দৃষ্টান্তমুলক কাম কৰি গৈছে। তাই নতুনকৈ অহা আহমদী মহিলা সকলৰ লগত এনেকুৱা প্ৰেমময় সম্পৰ্ক ৰাখিছিল যে নতুন আহমদী মহিলা সকলৰ অন্তৰত আপোনা-আপুনি জমাতৰ নিজামৰ প্ৰতি ভালপোৱাৰ উদ্ৰেক হৈ গৈছিল। এজনী নওমোবাইয়া ইনদালিৰ চাহিবায় কয় যে মোৰ ধাৰণা মতে সকলো ছেক্ৰেটাৰী নওমোবাইয়া মৰিয়ম ছলমানৰ দৰে হোৱা উচিত কাৰণ মোৰ মনত আছে - প্ৰথম যেতিয়া মোৰ এই মৰিয়ম চাহিবাৰ লগত দেখা হৈছিল মোক মৰমেৰে বুকুত সাৱটি লৈছিল। মোৰ এনেকুৱা অনুভৱ হৈছিল যে মই এজনীৰ মৰম কৰোঁতা ভনীৰ লগ পাইছো। তাই মোৰ বাবে আৰু মোৰ লৰা-ছোৱালীৰ বাবে সৰু সৰু প্ৰেজেণ্টেচন হাতত ওলমাই মোৰ ঘৰলৈ আহিছিল। দেখা সাক্ষাৎ কৰি অথবা ফোনৰ জৰিয়তে সদায় মোৰ লগত সম্পৰ্ক ৰাখিছিল। বান্ধবীসকল আৰু আন আন লোকৰ সৈতে সদায় খিলাফতৰ বৰকত আৰু  নিজামে জামাত সম্পৰ্কে আলোচনা কৰিছিল। নওমোবাইয়াতৰ সৈতে উত্তম বন্ধুত্ব ৰাখি তেওঁলোকৰ সহায় কৰিছিল, যাৰ ফলত জামাতৰ প্ৰোগামত অংশ লোৱাৰ আগ্ৰহ জন্মিছিল। উক্ত নওমোবাইয়া জনীয়ে কয় যে মৰহুমাৰ তৰবিয়তত আজি মই এই জামাতৰ জেনেৰেল ছেক্ৰেটাৰী হব পাৰিছো আৰু নিজৰ সাধাৰণ পকেট খৰছৰ পৰা উলিয়াই জনসেৱাত খৰচ কৰিব পাৰিছো।

আজিজা মৰিয়মৰ দেউতাকে লিখিছে যে - তাই নিয়মিত ভাৱে খোতবাজুমা শুনিছিল। প্ৰত্যেক কামতে জাগতিকতাৰ ওপৰত ধৰ্মীয় বিষয়ক প্ৰাধান্য দিছিল। তাইৰ মৃত্যুৰ দুদিন আগত মজলিচে শ্বোৰাৰে তাৰিখ আছিল আৰু মৰিয়ম (আ চি ইউ)ত ভৰ্ত্তি আছিল। মই তাইক কৈছিলো যে মই শ্বোৰাত নোযোৱাৰ বাবে অনুমতি লৈ লওঁ। কিন্তু মৰিয়মে কৈছিল - নালাগে ! আপুনি মোৰ চিন্তা নকৰিব আৰু মোৰ কাৰণে জামাতৰ প্ৰোগাম এৰি নিদিব, শ্বোৰাত গৈ যোগদান কৰক। কাৰণ হজৰত মছিহ মাওউদ (আঃ) ৰ সৈতে আমি প্ৰতিশ্ৰুতিবদ্ধ যে দ্বীনক দুনীয়াৰ ওপৰত প্ৰধান্য দিম। তাই সদায় ছালাম কৰাত আৰু বেলেগৰ অৱস্থা সম্পৰ্কে সুধাত আগভাগ লৈছিল।তাইক ছিনেট যাৰ চিকিৎসালয়ত ভৰ্ত্তি কৰোৱা হৈছিল। উক্ত চিকিৎসালয়ত এজনী সেৱীকায় কয় যে মৰিয়মৰ লগত কথা পাতি মোৰ এনে লাগিছিল যেনিবা মই ফিৰিস্তাৰ সৈতে কথা পাতিছো। তাই সদায় উত্তম কথাৰ উন্বেষণ কৰিছিল আৰু ভাল ভাল কথাবোৰ মানুহক কৈছিল আৰু সদায় আনন্দময়ী, হাহিঁমুখ হৈ থাকিছিল। আল্লাহ  তায়ালাৰ ওপৰত নিৰ্ভৰশীলা আছিল আৰু আল্লাহ তায়ালাৰ অনুগ্ৰহৰাজিৰ প্ৰশংসা কৰিছিল। আল্লাহ তায়ালা তাইৰ ওপৰত দয়া কৰক আৰু ক্ষমাৰ আচৰণ প্ৰদৰ্শন কৰক। যেনকৈ এই ছোৱালীজনীয়ে আল্লাহৰ ওপৰত ভৰষা ৰাখিছিল, আল্লাহ তায়ালা যেন ঠিক তেনেকৈয়ে আৰু তাতকৈ বেছি তাইৰ লগত প্ৰেমাস্পদ আচৰণ কৰে আৰু তাৰ মৰমৰ আৱৰণীত ঢাকি লৈ তাইৰ মৰ্যদা উন্নতি কৰে। মৰহুমাৰ দুজনী জীয়েকক আল্লাহ তায়ালা সদায় হিফাজতত ৰাখক। মৰহুমাৰ নিজৰ সন্তানৰ বাবে যি দোৱা কৰিছে আল্লাহ তায়াল সেয়া কবুল কৰি লওঁক। (আমিন)

**********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 21 JUNE.. 2019**

**To**

--------------------------------------------------------------------

--------------------------------------------------------------------

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844